REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 2-10-2023
Time : 0600 Hrs.

**ASSAMESE EVENING BULLETIN**

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ‘মেৰি মাটি, মেৰা দেশ’ কাৰ্যসূচীৰ অংশ হিচাপে অমৃত কলহ যাত্ৰা অভিযানৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আৰম্ভ হৈছে। এই কাৰ্যসূচীত বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰা মাটিৰ কলহসমূহ পঞ্চায়ত কাৰ্যালয়ত অৰ্পণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

**শিৱসাগৰ** জিলাৰ শিমলুগুৰি পৌৰ সভা এলেকাত সংগ্ৰহ কৰা মাটিৰ কলহসমূহ আজি শিমলুগুৰি কৰ্তৃপক্ষক অৰ্পণ কৰা হয়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈৰ নেতৃত্বত শিমলুগুৰি নগৰৰ মছজিদ তিনিআলিৰ পৰা এটা শোভাযাত্ৰা উলিয়াই অমৃত কলহসমূহ শিমলুগুৰি পৌৰসভা কাৰ্যালয়লৈ লৈ যোৱা হয়।

**চৰাইদেউ** জিলাৰ কাকতিবাৰী গাঁও পঞ্চায়ত আৰু উদয়পুৰ গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা অমৃত কলহসমূহ আজি পঞ্চায়ত কাৰ্যলয় দুটাত অৰ্পণ কৰা হয়। এই উপলক্ষে আয়োজিত শোভাযাত্ৰাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে নেতৃত্ব প্ৰদান কৰে। ইফালে, অমৃত কলহ যাত্ৰাৰ সৈতে সংগতি ৰাখি আজি সোণাৰি বিধানসভা সমষ্টিৰ পূৰ্বাঞ্চল গাঁও পঞ্চায়তত হোৱা অমৃত কলহ যাত্ৰাত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অংশগ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে **ধেমাজি**ৰ মৰিঢল পঞ্চায়তত এই কাৰ্যসূচীত অংশ লয়। মন্ত্ৰীগৰাকীয়ে পঞ্চায়তখনৰ অন্তৰ্গত গাঁওসমূহৰ বাসিন্দাসকলৰ ঘৰলৈ গৈ মাটি সংগ্ৰহ কৰে। **তিনিচুকীয়া** জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ কাকপথাৰ উন্নয়ন খণ্ডৰ মানখোৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁওসমূহৰ ঘৰে ঘৰে সংগ্ৰহ কৰা মাটি ৰখা অমৃত কলহসমূহ আজি পঞ্চায়তৰ কাৰ্যালয়ত জমা দিয়া হয়। এই কাৰ্যসূচীত বিধায়ক ৰূপেশ গোৱালাকে ধৰি বহু ব্যক্তি উপস্থিত আছিল। **মাজুলী** বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰতনপুৰ মিৰি, শ্ৰীৰাম ৰঙাচাহি আৰু লুইতপৰীয়া গাঁও পঞ্চায়ত এলেকাৰ পৰা সংগ্ৰহ কৰা মাটিবোৰ আজি পঞ্চায়ত এলেকালৈ লৈ অনা হয়। এই কাৰ্যসূচীত স্থানীয় বিধায়ক ভূবন গামকে ধৰি বহু ব্যক্তি উপস্থিত আছিল। **তেজপুৰ** সমষ্টিৰ অন্তৰ্গত ডেকাৰগাঁও গাঁও পঞ্চায়ত আৰু তেজপুৰ পৌৰসভাত অমৃত কলহ যাত্ৰাৰ কাৰ্যসূচীত বিধায়ক পৃথ্বিৰাজ ৰাভাই অংশগ্ৰহণ কৰে। ইফালে, ১ নম্বৰ বিহগুৰিত বিধায়ক গণেশ কুমাৰ লিম্বু, চতিয়া সমষ্টিৰ উত্তৰ চিলাবন্ধাত বিধায়ক পদ্ম হাজৰিকা, ৰঙাপৰাৰ নাহৰণিত বিধায়ক কৃষ্ণ কমল তাঁতী, ঢেকীয়াজুলিৰ বামুণপুখুৰীত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, পাঁচমাইলত আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি **মৰিগাঁও** জিলাৰ মায়ঙত অমৃত কলহ যাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ জিলাখনৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত গোভালিৰ পৰা মায়ং পঞ্চায়ত কাৰ্যালয় অভিমুখে উলিওৱা শোভাযাত্ৰাত সতী ভেটিৰ সোণাৰাম সেৱাশ্ৰমলৈকে পদব্ৰজে যাত্ৰা কৰে। **নগাঁৱ**ত যোৱা ২০ ছেপ্তেম্বৰৰ পৰা আজি পৰ্যন্ত পৌৰসভাৰ অধীনৰ ২৬ টা মহলাৰ প্ৰতিঘৰ বাসিন্দাৰ পৰা সংগ্ৰহ কৰা মাটি আৰু চাউলৰ কলহবোৰ আজি

পৌৰসভাৰ কাৰ্যালয়ত অৰ্পণ কৰা হয়। ইয়াৰ পূৰ্বে বিধায়ক ৰূপক শৰ্মাৰ নেতৃত্বত এটা শোভাযাত্ৰা উলিয়াই ছহিদ ভৱনৰ প্ৰাংগণত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ সন্মুখত অমৃত কলহসমূহ ৰখা হয়। এই উপলক্ষে আয়োজিত এখন সভাত দেশৰ বাবে অতুলনীয় সেৱা আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০০০০

সমগ্ৰ ৰাজ্যতে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। **যোৰহাট** জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী ময়দানত জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। গান্ধী জয়ন্তী উপলক্ষে **মাজুলীৰ** ৫৩৬ খন বিদ্যালয়ত আন্তৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি গান্ধীজীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা জ্ঞাপন, শান্তি সমদল, শান্তিৰ বাৰ্তা বিলোৱা বেনাৰ আৰু প্লেকাৰ্ড প্ৰদৰ্শন, গান্ধী বিষয়ত বক্তৃতা আদি উদযাপন কৰা হয়। **তিনিচুকীয়া** জিলাৰ শদিয়া মহকুমাত মহকুমা প্ৰশাসনৰ উদ্যোগত আন্তৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। জিলাখনৰ মহখুলি আদৰ্শ চিকিৎসালয়ত গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি চাফাই অভিযান চলোৱা হয়।

০০০০০০০০০

এম আৰ এন এ প্ৰযুক্তিৰ কোভিড প্ৰতিষেধক বিকশাই তোলাৰ বাবে শৰীৰ তত্ত্ব নাইবা ভেষজ বিজ্ঞানত দুগৰাকী বিজ্ঞানীলৈ চলিত বছৰৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। অধ্যাপত কেটেলিন কেৰিক' আৰু দ্ৰু ৱেইছমেনে যুটীয়াভাৱে এই পুৰস্কাৰ লাভ কৰিছে। কোভিড মহামাৰীৰ পূৰ্বে পৰীক্ষামূলকভাৱে এই প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছিল যদিও সম্প্ৰতি কৰ্কট ৰোগকে ধৰি অন্যান্য ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এই প্ৰযুক্তি ব্যৱহাৰৰ বাবে গৱেষণা চলি আছে। পেন্সিলভেনিয়া বিশ্ববিদ্যালয়ৰ দীৰ্ঘ দিনৰ সহকৰ্মী হাংগেৰীৰ কেৰিক' আৰু আমেৰিকাৰ ৱেইছমেনে তেওঁলোকৰ গৱেষণাৰ বাবে ইতিপূৰ্বে বিভিন্ন বঁটা লাভ কৰিছে। ২০২১ চনত বিজ্ঞানী দুগৰাকীয়ে ন'বেল পুৰস্কাৰৰ পূৰ্বসুৰী হিচাপে পৰিগণিত লেস্কাৰ বঁটাও লাভ কৰিছিল। ষ্টকহ'মৰ ন'বেল পুৰস্কাৰ সমিতিয়ে বিবৃতি যোগে প্ৰকাশ কৰা মতে এই বিজ্ঞানী যুটীটোৱে সাম্প্ৰতিক সময়ত মানৱজাতিৰ স্বাস্থ্যৰ প্ৰতি বৃহৎ ভাবুকিৰ সৃষ্টি কৰা প্ৰতিষেধক বিকশাই তোলা বাবে এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে পৰম্পৰাগত প্ৰতিষেধকসমূহে মানৱ দেহৰ এটা দুৰ্বল ভাইৰাছ নাইবা ভাইৰাছৰ প্ৰটিনৰ মূল অংশ ব্যৱহাৰ কৰাৰ বিপৰীতে এম আৰ এন এ ভেকচিনে জীৱ কোষক কি প্ৰটিন প্ৰস্তুত কৰিলে ইয়াৰ সহায়ত সংক্ৰমণ হ'লে শৰীৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাই যুঁজ দিব পাৰে সেই সন্দৰ্ভত সাজু কৰি তোলে। কোভিডৰ প্ৰদুৰ্ভাৱৰ সময়ত ম'ডাৰ্না, ফাইজাৰ আৰু বায়'এনটেক প্ৰতিষেধক কেইবিধ এই প্ৰযুক্তি ব্যৱহাৰ কৰি বিকশাই তোলা হৈছিল।

০০০০০০০০০

সমাপ্ত